**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-07-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

০০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই দুদিনীয়া ভ্ৰমণসূচীৰে আজি কাৰ্বি আংলং জিলাৰ সদৰ ডিফুত উপস্থিত হ'ব। প্ৰথমবাৰৰ বাবে পাহাৰীয়া জিলাখন ভ্ৰমণৰ কাৰ্যসূচী লোৱা ৰাজ্যপালগৰাকীয়ে জিলাখনৰ তাৰালাংছ'ৰ কাজিৰ ৰংহাংপি অতিথিশালাত কাৰ্বি আংলঙৰ সমাজসেৱী, বিশিষ্ট ব্যক্তি আৰু পদ্মশ্ৰী সন্মানেৰে সন্মানিতসকলৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছতে তেওঁ কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য আৰু বিভাগীয় মুৰববী বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হ'ব। কাইলৈ তেওঁ ডিফু চহৰৰ পৰা ২৫ কিলোমিটাৰ নিলগৰ লংনিত, মহংডিজুৱা আৰু মান্জাত জলজীৱন মিছন আৰু অন্যান্য উন্নয়নমূলক আঁচনি ৰূপায়ণৰ বুজ ল'ব।

০০০০০০

অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাৰ অধ্যক্ষতাত কালি যোৰহাট আৱৰ্ত ভৱনত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে জিলাখনৰ উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে লোকনিৰ্মাণ, শ্ৰম বিভাগ, সমাজ কল্যাণ আৰু শিক্ষা তথা স্বাস্থ্য বিভাগকে ধৰি অন্যান্য সংশ্লিষ্ট বিভাগসমূহৰ উন্নয়নমূলক আঁচনিসমূহ সময়তে ৰূপায়ণ কৰাত গুৰুত্ব আৰোপ কৰে। এই বৈঠকতে পাৱাৰ পইণ্ট উপস্থাপনৰ জৰিয়তে জিলাখনৰ প্ৰতিটো বিভাগে নিজ নিজ বিভাগৰ অগ্ৰগতিৰ খতিয়ান দাঙি ধৰে। চাহ বাগিচাৰ শ্ৰমিকৰ সৰ্বাংগীণ উন্নয়নৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা একাধিক কল্যাণ তথা উন্নয়নমূলক আঁচনিসমূহ সুচাৰুৰূপে আৰু সময়মতে ৰূপায়ণ নিশ্চিত কৰিবলৈ জিলা প্ৰশাসনৰ বিষয়াসকলক মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। মন্ত্ৰী শ্ৰীগোৱালাই ঐতিহাসিক যোৰহাট কেন্দ্ৰীয় কাৰাগাৰ চৌহদত নিৰ্মাণৰত উদ্যানখনৰ কামৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ সময়মতে এই প্ৰকল্প সম্পন্ন কৰিবলৈ জিলা প্ৰশাসনক যাৱতীয় নিৰ্দেশ দিয়ে। বৈঠকত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, যোৰহাট বিধানসভা সমষ্টিৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, মৰিয়নি বিধানসভা সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ লগতে জিলা প্ৰশাসনৰ উচ্চ পদস্থ বিষয়া আৰু অন্যান্য ভালেসংখ্যক লোক উপস্থিত থাকে।

০০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত জাপানীজ এনকেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পাইছে। গোলাঘাট জিলাত এই পৰ্যন্ত ১৬ জন লোক এই ৰোগত আক্ৰান্ত হৈছে। জিলা স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে ইয়াৰে ছজন ৰোগীক গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় আৰু ইয়াৰ ভিতৰত তিনিজন ৰোগী সুস্থ হৈ উঠিছে। আন ৭ জন যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত, এজন ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয় হাস্পতাল আৰু এজন যোৰহাটৰ মিছন হাস্পতালত চিকিৎসাধীন হৈ আছে। গোলাঘাট অসামৰিক চিকিৎসালয়ত ছমহীয়া এটি শিশুও এই ৰোগত আক্ৰান্ত হৈ জটিল অৱস্থাত চিকিৎসাধীন হৈ আছে বুলি স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে। অৱশ্যে জিলাখনত এতিয়ালৈ এই ৰোগত আক্ৰান্ত কোনো লোকৰ

প্ৰাণ হানি হোৱা নাই। ৰোগ প্ৰতিৰোধৰ বাবে স্বাস্থ্য বিভাগে গাঁৱে-ভূঞে জিলা সজাগতা আৰু ফ'গিঙৰ ব্যৱস্থা লৈছে। উল্লেখযোগ্য যে যোৱা বছৰ জিলাখনত ২১ জন লোক এই ৰোগত আক্ৰান্ত হৈছিল। গোলাঘাটৰ মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ ভৰত ফুকনে প্ৰকাশ কৰা মতে দেশত জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত মুঠ ৰোগীৰ ৬০ৰ পৰা ৭০ শতাংশ অসমৰ লোক। এই ৰোগৰ লক্ষণ দেখা দিয়া মাত্ৰেই চিকিৎসকৰ কাষ চাপিবলৈ বিষয়াগৰাকীয়ে জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

০০০০০০

গোলাঘাট জিলাৰ বান পৰিস্থিতি জটিল হৈ আছে। ধনশিৰি নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত জিলাখনৰ ৫ টা ৰাজহ চক্ৰৰ বিস্তীৰ্ণ এলেকা বানৰ কবলত পৰিছে। জিলাখনৰ বিভিন্ন স্থানত মুঠ ৩৩ টা সাহায্য শিবিৰ মুকলি কৰি প্ৰশাসনে বান পীড়িতলৈ সহায়ৰ হাত আগবঢ়াইছে। মৰঙি ৰাজহ চক্ৰৰ অধীনৰ মুঠ ২৪ খন গাঁৱৰ প্ৰায় ছহেজাৰ লোক বানৰ কবলত পৰিছে। বোকাখাত ৰাজহ চক্ৰৰ মুঠ ৯ খন গাঁৱৰ ৮ সহস্ৰাধিক লোক বানৰ কবলত পৰাৰ বিপৰীতে খুমতাই ৰাজহ চক্ৰৰ অধীনৰ ৩০ খন গাঁও বানত ক্ষতিগ্ৰস্ত হৈছে। গোলাঘাট ৰাজহ চক্ৰৰ মুঠ ২৩ খন গাঁৱৰ প্ৰায় দুহেজাৰ লোক এই বানৰ কবলত পৰিছে। কালি বোকাখাত আৰু সৰুপথাৰ ৰাজহ চক্ৰৰ দুগৰাকী লোকৰ বানত মৃত্যু হয়।

মৰঙিত ধনশিৰি নৈৰ বাঢ়নি পানীয়ে এখন কাঠৰ দলং উটুৱাই নিয়ে। ৩ নম্বৰ ভোলাগুৰি আৰু ৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ  সাৰৰ গাওঁ সংযোগী এই দলংখন উটুৱাই নিয়াত ভোলাগুৰি অঞ্চলত বহু লোক বানত আৱদ্ধ হৈ পৰিছে। কৃষিমন্ত্ৰী অতুল বৰাই কালি জিলাখনৰ কেইবাটাও বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰি বান পৰিস্থিতিৰ বুজ লয়। তেওঁ জিলাখনৰ আয়ুক্ত তথা সংশ্লিষ্ট বিভাগসমূহক যাৱতীয় নিৰ্দেশ দিয়ে। বান পীড়িতসকলক অত্যাৱশ্যকীয় সামগ্ৰী যোগানৰ লগতে সকলোধৰণৰ সহায়-সাহায্য আগবঢ়োৱা হ'ব বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে বানত মৃত্যু হোৱা পলাশগুৰিৰ যুৱক সুভাষ ওৰাঙৰ পৰিয়ালক সাক্ষাৎ কৰি চাৰি লাখ টকাৰ আৰ্থিক সাহায্যৰ চৰকাৰী অনুমোদিত পত্ৰখন পৰিয়ালটোক প্ৰদান কৰে।

ইপিনে, কিছুদিন ধৰি হোৱা ধাৰাসাৰ বৰষুণৰ ফলত হোজাই জিলাত বান পৰিস্থিতি জটিল হৈ পৰিছে। যমুনা নৈৰ বাঢ়নি পানীয়ে ডবকা আৰু যমুনামুখৰ কিছু অংশ পুনৰ বুৰাই পেলাইছে। বানৰ ফলত অঞ্চলটোৰ ৪ শতাধিক পৰিয়াল আবদ্ধ হৈ পৰিছে।

০০০০০০

সমাপ্ত